NAME :- SRI PRADIP TAYE.
ADDRESS:- VILL & P/O :- KOIBARTTA DOLONI.
PIN CODE :- 785672.
P.S :- DEMOW.
DIST. :- SIVASAGAR, ASSAM.
COLLEGE NAME :- MORAN COLLEGE.
CONTACT NO :- 6003723343
BANK DETAILS :-
A/C NO :- 40324172431
IFSC :- SBIN0007326
BRANCH : SBI DISANGMUKH.
A/C HOLDER :- PRADIP TAYE.

# দিচাং নদী : প্ৰদূষণ, সংৰক্ষণ আৰু মোৰ অভিজ্ঞতা

**আৰম্ভণি :-** নদী সভ্যতাৰ জ্ঞানকোষ। নদীক কেন্দ্ৰ কৰিয়েই মানৱ সভ্যতাৰ বিকাশ ঘটিছে। মানুহৰ জ্ঞানৰ ভেটি গঢ়াৰ ক্ষেত্ৰতো নদীয়ে বহু শিক্ষা গুৰিৰ নিজৰ দায়িত্ব পালন কৰি আহিছে।

অসম এখন নদীমাতৃক দেশ। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ অসমৰ বুকুত থকা বিভিন্ন নৈ-উপনৈ-সমূহ অসমৰ সভ্যতা সংস্কৃতিৰ বাবে বৰ মূল্যবান। ব্ৰহ্মপুত্ৰ হৈছে অসমৰ মূল্যবান তথা প্ৰধান নৈ। এই ব্ৰহ্মপুত্ৰৰে দক্ষিণপাৰৰ অন্যতম প্ৰধান উপনৈ হৈছে- দিচাং।

**দিচাং নদী :-** দিচাং নদীখন অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ দক্ষিণ অংশ পাটকাই পৰ্বতৰ ২৮০০ মিটাৰ ওখ চুম স্থানৰ পৰা টিচা নাম লৈ ভৈয়ামলৈ নামি আহিছে। এই টিচা নৈয়ে তৌৱাইজেং, দাইদাম, টিটিৰকপানী বা টীৰটিজু নৈ উপনৈ হিচাপে আঁজুৰি লৈছে। তাৰ পৰা অসম আৰু অৰুণাচলৰ সীমাৰেখা নিৰ্ধাৰিত লকানজান আৰু অন্য এখন উপনৈ টিখককে সামৰি ডিব্ৰুগড় জিলাৰ নামৰূপৰ ওচৰত দিল্লিঘাট পাৰ হৈ ভৈয়ামত

দিচাং নাম লৈছে। দিচাং নৈৰ আগৰ নাম দিলিহ বা দিল্লি। ভৈয়ামত এই দিচাং নৈখনে টিমন, টাওকাক, চক্ৰাই, দিৰৈ, ডিমৌ আদিক শাখা হিচাপে লৈ দিচাং মুখৰ অঞ্চলাত ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ পৰে।

তিৰুপাড় জিলাৰ কিছু অংশ দুই অহা দিচাং নৈখনে শিৱসাগৰ জিলাৰ মাজেৰে বৰহাট, মাপেখাতী, লংপতীয়া, ভজো, চক্ৰাই, লাকুৱা, খালৈঘোগোৰা, পাটসাঁকো, বকতা, বেতবাৰী, ৰজাবাৰী, আঠখেলীয়া, দিচাং মুখ আদি বহুতো ঠাই সামৰি এটা দীঘলীয়া পথ অতিক্ৰম কৰিছে। দিচাং নৈৰ সৰ্বমুঠ দৈৰ্ঘ্য ২৩০ কিঃমিঃ আৰু অৱবাহিকাৰ কালি ৩৯৫০ কিঃমিঃ।

**প্ৰদূষণ :-** বৰ্তমান আধুনিক মানৱ সমাজে সভ্যতাৰ বিকাশৰ লগে লগে উন্নয়ন আৰু বিকাশৰ নামত নদীক নিজে বিচৰামতে আচৰণ কৰাটো শিকিছে। শিৱসাগৰ জিলাৰ অন্তৰ্গত অন্যতম নদী 'দিচাং' বৰ্তমান সময়ত বিভিন্ন কাৰণত প্ৰদূষিত হবলৈ ধৰিছে।

দিচাং নদীৰ প্ৰদূষণৰ প্ৰধান কাৰকসমূহ হ'ল —

১। ঔদ্যোগিক কাৰণত হোৱা প্ৰদূষণ :- কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা ধাতৱ পদাৰ্থবিলাক বৰষুণৰ পানীয়ে

মাটিৰ উপৰিভাগৰ পৰা উটুৱাই নি দিচাঙৰ বুকুত পেলাই দিয়ে, ইয়াৰ ফলত দিচাঙৰ পানী প্ৰদূষিত হৈছে।

২। নগৰীকৰণ :- জনসংখ্যা বৃদ্ধিৰ লগে লগে নগৰীকৰণ বৃদ্ধি হৈ গৈ আছে। চহৰৰ মানুহৰ ~~দৈন~~ দৈনিক সৃষ্টি হোৱা আৱৰ্জনাবোৰ দিচাঙত নিক্ষেপ কৰাৰ কাৰণে ইয়াৰ পানী প্ৰদূষিত হৈছে।

৩। কৃষি কাৰ্য্যৰ পৰা হোৱা প্ৰদূষণ :- দিচাং নদীৰ পাৰত বসবাস কৰা লোকসকলে শস্যৰ অধিক উৎপাদনৰ আশাত নানা ধৰণৰ সাৰ, ঔষধ কীটনাশক সাৰ ব্যৱহাৰ কৰাৰ ফলত মাটিত থকা বাসায়নিক দ্ৰব্য বৰষুণৰ পানীয়ে উটুৱাই নি দিচাঙত পেলোৱাৰ কাৰণে ইয়াৰ পানী প্ৰদূষিত হৈছে।

সংৰক্ষণ :- মানুহ আৰু নদীৰ মাজত বিত্তানসমূহত আঁচনিৰ অভাৱতে জনজীৱন বিপন্ন। বৰ্তমান সময়ত দিচাং নৈখনে বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ আছে। দিচাং নৈ সংৰক্ষণত মনোনিবেশ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। আমি দিচাং নৈখনিৰ সংৰক্ষণ কৰিবলৈ যাওঁতে প্ৰথমতে ইয়াৰ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব লাগিব। এইক্ষেত্ৰত আমি তলত উল্লেখ কৰা ধৰণে আগবাঢ়িব লাগিব —

(ক) উদ্যোগ, নলা-নৰ্দমা আদিৰ পানীৰ লগত অহা বৰ্জিত দ্ৰব্যসমূহ পৃথকীকৰণ প্ৰক্ৰিয়াৰে পৃথক কৰা প্ৰয়োজন। ইয়াৰ পিছত পানীত দ্ৰবীভূত হৈ থকা বিষাক্ত পদাৰ্থ আৰু অনুজীৱবোৰ পৰিশোধন প্ৰক্ৰিয়াৰে পৃথক কৰিহে নদীত নিষ্কাশিত কৰিব লাগে।

(খ) কীটনাশক দ্ৰব্যৰ ব্যৱহাৰৰ পৰিৱৰ্তে কীটৰ জৈৱিক নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

(গ) বৰ্জিত মলমূত্ৰ নাইবা আন অন্য পদাৰ্থসমূহ নদীত নেপেলাই গোবৰ গেছ প্ৰকল্প স্থাপন কৰি পুনৰাবৰ্তন কৰা প্ৰয়োজন।

(ঘ) কল-কাৰখানাসমূহ নৈৰ পৰা আঁতৰত ৰখাটো প্ৰয়োজন।

এই বোৰৰ লগতে অতিৰিক্ত অন্য আঁচনিবোৰ গ্ৰহণ কৰিব লাগিব। —

১। নদীৰ বুকু আৰু পাৰত জমা হোৱা আবৰ্জনা নিষ্কাশনৰ বাবে আঁচনি।

২। নদীৰ বুকু খান্দি নদীখনৰ প্ৰবাহী ক্ষমতা বৃদ্ধিৰ আঁচনি।

৩। জন সচেতনতা বৃদ্ধি কৰাৰ বাবে আঁচনি।

৪। নদীৰ দুয়োপাৰে গছ-গছনি ৰোপণ কৰি সৌন্দৰ্য্য বৰ্দ্ধনৰ লগতে পাৰিপাৰ্শ্বিকতা বজাই ৰখাৰ আঁচনি।

৫। প্লাষ্টিককে আদি কৰি বিভিন্ন পৌৰ আৱৰ্জনা যাতে নৈৰ বুকুলৈ প্ৰক্ষেপ কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰা।

দিচাং নদীখনিৰ সংৰক্ষণৰ কাৰণে জনসাধাৰণ, চৰকাৰী বিভাগ তথা বেচৰকাৰী প্ৰতিষ্ঠান (NGO) সকলো একেলগে কৰ্মপন্থা হাতত লব লাগিব। দিচাং নৈৰ সংৰক্ষণৰ ক্ষেত্ৰত ইয়াৰ দুয়োটা পাৰৰ উন্নতিকৰণো অতিকৈ আৱশ্যক।

আমি সুঁতিৰ ওপৰত এটা কথা মনত ৰখা উচিত যে প্ৰকৃতিৰ নিয়মক বাধা দিলে তাৰ কু-ফল ভোগ কৰিবই লাগিব। দিচাং নদীয়ে শিৱসাগৰ জিলাৰ সমাজ-সংস্কৃতি, তথ্য, অৰ্থনীতিত সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সেয়েহে দিচাং নদীৰ সংৰক্ষণ কৰাতো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য।

**মোৰ অভিজ্ঞতা :-** জন্ম লগ্নৰ পৰাই দিচাং আৰু মোৰ সম্পৰ্ক অতি মনোৰম। অসমৰ ব্ৰহ্মপুত্ৰৰ দ্বিতীয় বৃহৎ

জনগোষ্ঠী মিচিং জনজাতির লোক থকা সেইবুলে দিচাঙৰ পাৰতে আমাৰ বসতি। দিচাঙৰ বুকুতে খেলি, সাঁতুৰি নাওবাই নাও চলাই ডাঙৰ হৈছো। স্কুল বন্ধৰ দিনা সকলো লগ-সমনীয়াই খেলি ধৰমত ভিজি থকা দেখাৰে নৈত জাপ দিয়া, পানীত বুৰ মৰা, সাঁতোৰা আদি খেল খেলা। খৰালিত দিচাঙৰ বালিচৰত সকলোৱে মিলি বালিৰ ঘৰ সজা আদিবোৰে দিচাং আৰু মোৰ সম্পৰ্ক থকা বহন কৰিব। দিচাং নৈখন আমাৰ ভাষা-সংস্কৃতি, জীৱন-ধাৰণৰ প্ৰক্ৰিয়া, সাহিত্য আদিৰে সৈতে প্ৰত্যক্ষভাৱে জড়িত। দিচাং মোৰ প্ৰাণ আৰু ই মোৰ আইৰ সমতুল্য। যি সময়ত আমাৰ গাঁৱত পানীযোগান আঁচনি তথা দমকলৰ ব্যৱস্থা নাছিলে, তেতিয়া আমি দিচাঙৰ পানী খায়ে জীৱন নিৰ্বাহ কৰিছিলো। সেয়েহে দিচাং আৰু মোৰ সম্পৰ্ক এৰাব নোৱাৰা। দিচাং নৈখনে ইয়াৰ দুয়োপাৰক মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্য প্ৰদান কৰিছে। দিচাঙে বাৰিষাকালত যিদৰে বানপানীয়া, খহনীয়া, অনাবৃষ্টি ছিগা আদি সমস্যাৰ সৃষ্টি কৰে ঠিক তেনেদৰে খেতিৰ বাবে পানীৰো যোগান ধৰে, লগতে মাছ-কাছৰে গাঁৱৰ পুখুৰী-বিলবোৰক নদন-বদন কৰে।

থকালিত দিচাং নদীৰ পানী শুকাই যোৱাৰ পাছত ইয়াৰ দুয়োপাৰৰ খাৰুৱা পলসোৱা মাটিত বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি কৰি খাঁৰৰ বহু দৰিদ্ৰ পৰিয়ালে জীৱিকা নিৰ্বাহ কৰিছে।

নৈপৰীয়া লোকক বানে উটোৱাই নিয়ে, সমস্যাৰ সৃষ্টি কৰে, গৃহহীন কৰে, তথাপিও দিচাংৰ প্ৰতি মোৰ তথা আমাৰ আছে অকৃত্ৰিম স্নেহ, মৰম আৰু শ্ৰদ্ধা। দিচাংৰ পৰা লাভ কৰা অভিজ্ঞতাই অনাগত দিনত মোক প্ৰত্যক্ষভাৱে সহায় কৰিব।

**সামৰণি :-** নদী হৈছে সংস্কৃতিৰ বাহক। নদীয়েই আমাক প্ৰদান কৰে উৰ্বৰ মাটি, সু-পৰিৱেশ। নদীক কেন্দ্ৰ কৰিয়েই গঠন হৈছে এক সুকীয়া বনাঞ্চল। যাক কোৱা হয় নৈপৰীয়া বনাঞ্চল। নল, ইকৰা, খাগৰি, কহুৱাৰে সমৃদ্ধ এই বনাঞ্চলে আমাৰ সুন্দৰ পৰিৱেশত সুৰুপা চৰায়।

দিচাং নৈখনে অৰুণাচল প্ৰদেশৰ পাটকাই পৰ্বতৰ বুকু শৃংগৰ পৰা উৎপত্তি লাভ কৰে যি আমাৰ পৰিৱেশ তন্ত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। দিচাং নৈখনে পাহাৰীয়া লোকৰ ভৈয়াম গাঁঠিক সমতলৰ

P.T.O.

নেপালীয়া লোকৰ সংস্কৃতিৰ লগত বিলীন কৰাই এক সমন্বয়ৰ ধাৰা বহন কৰিছে। কিন্তু মানুহৰ লোভ মোহৰ পৰিণতিত আজি দিচাং সংকটত পৰিছে। দিচাং নৈৰ পাৰত বেআইনী ভাৱে বালি আৰু মাটি খনন, আৱৰ্জনা পেলোৱা, নৈৰ পাৰত কাঁদাই কৰা, মৰা জীৱ-জন্তু নৈ পেলাই দিয়া, বিষাক্ত দ্ৰব্য দি ইয়াৰ মাছ নিধন কৰা আদি কাৰণত দিচাং সংকটত পৰিছে। দিচাং নৈখনিৰ সুৰক্ষা তথা সংৰক্ষণ কৰাৰ ক্ষেত্ৰত শিৱসাগৰ জিলা প্ৰশাসনৰ লগতে অসম চৰকাৰে পদক্ষেপ গ্ৰহন কৰাটো অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। দিচাং নদীৰ সংৰক্ষণ ব্যৱস্থা সঠিক হব লাগে। দিচাং প্ৰথমতে প্ৰাকৃতিক সম্পদ, দ্বিতীয়তে দিচাঙৰ লগত আমাৰ কৃষিকৰ্মৰ লগতে সামাজিক তথা পাৰিবাৰিক জীৱন, আশা-অনুভূতি আদি এৰাব নোৱাৰাকৈ জড়িত হৈ আছে। সকলোৱে দিচাঙৰ সংৰক্ষণৰ বাবে হাত আগবঢ়োৱাটো প্ৰয়োজন। ই আমাৰ দায়িত্ব ও কৰ্তব্য ॥

* * *